জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১০৫/২০২১

পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

দুগ্ধজাত সামগ্ৰী আৰু পশুধনৰ উৎপাদন বৃদ্ধিৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

দিছপুৰ, ১৫ জুন ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত নিজ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন বৈঠকত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে।

গাখীৰৰ উৎপাদন বৃদ্ধিৰ লগতে বাহিৰৰ পৰা গাহৰি আৰু কুকুৰাৰ আমদানি বন্ধ কৰিব পৰাকৈ গাহৰি আৰু কুকুৰা উৎপাদনত আত্মনিৰ্ভৰশীলতা অৰ্জনৰ বাবে অহা ৭ জুলাইৰ ভিতৰত তিনিটা নতুন আঁচনিৰ প্ৰস্তাৱ দিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভাগটোক নিৰ্দেশ দিয়ে। বেংকৰ ঋণ আৰু পুঁজিৰ সুবিধা তথা উদগনি প্ৰদানৰ জৰিয়তে দুগ্ধ আৰু পশুপালন খণ্ডত আত্মনিয়োগ কৰাৰ বাবে যুৱক-যুৱতীসকলক আকৰ্ষিত কৰিব পৰাকৈ প্ৰয়োজনীয় ৰোডমেপ প্ৰস্তুত কৰিবলৈও তেওঁ বিভাগক নিৰ্দেশ দিয়ে।

নিয়োগৰ সুবিধা সৃষ্টি আৰু অৰ্থনৈতিক প্ৰগতি বৃদ্ধিৰ বাবে পশুধন খণ্ডক উজ্জীৱিত কৰি তুলিবলৈ বিভাগটোৱে যথাসম্ভৱ সোনকালে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে গাহৰি পালন খণ্ডত নিয়োগ সৃষ্টিৰ যথেষ্ট সম্ভাৱনা আছে আৰু পশু চিকিৎসা বিভাগে বাহিৰৰ পৰা উচ্চ উৎপাদনশীল প্ৰজাতিৰ গাহৰি অনা আৰু অসংগঠিত খণ্ডত গাহৰি খেতিয়কসকলৰ মাজত বিতৰণ কৰাৰ উপায় অন্বেষণ কৰিব লাগিব।

অন্যান্য উচ্চউৎপাদনশীল প্ৰজাতিৰ গৰুৰ সৈতে স্থানীয় গাইগৰুৰ ক্ৰছ প্ৰজননৰ জৰিয়তে ৰাজ্যখনত গাখীৰতী গৰুৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ ল'বলৈ বিভাগটোক নিৰ্দেশ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমবায় আৰ্হিত দুগ্ধ পালন খণ্ডত জড়িত হোৱাৰ বাবে যুৱক-যুৱতীসকলক উৎসাহিত কৰিবলৈ তেওঁলোকক পুঁজি আৰু কাৰিকৰী সা- সুবিধা প্ৰদান কৰিব লাগিব। ৰাজ্যখনৰ সকলো প্ৰান্ততে 'গোপাল মিত্ৰ'সকলৰ জৰিয়তে গো-ধনৰ কৃত্ৰিম প্ৰজননৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ ল'বলৈও তেওঁ বিভাগটোক নিৰ্দেশ দিয়ে।

ৰাজ্যখনৰ পশুধন আৰু দুগ্ধ খণ্ডত সংস্কাৰমূলক পৰিৱৰ্তন অনাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনত নিয়োগ সৃষ্টি আৰু অৰ্থনীতিক সমৃদ্ধ কৰাৰ দিশত এই খণ্ডটোৰ যথেষ্ট সম্ভাৱনীয়তা আছে। ৰাজ্যখনলৈ গাহৰি, কুকুৰা আৰু কণীৰ আমদানি হ্ৰাস কৰাৰ প্ৰয়োজনীয়তাৰ লগতে অতি সোনকালে এইবোৰৰ উৎপাদন বৃদ্ধিৰ বাবে কৌশলগতভাৱে কাম কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে।

আজিৰ বৈঠকত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰা, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ অধ্যক্ষ মনোজ শইকীয়া, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাৰ লগতে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

স্বাক্ষৰ
১৫/০৬/২০২১